2) ঠাকুৰ, নগেন [1997] ঃ *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য*। বীণা লাইব্ৰেৰী, গুৱাহাটী¼

3) শইকীয়া বৰা, লীলাৱতী, 2002 ঃ *সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ*। বনলতা, গুৱাহাটী¼

বাংলা গ্ৰন্থ ঃ

[4] মজুমদাৰ, পৰেশচন্দ্ৰ, 1917 ঃ *সংস্কৃত ও প্ৰাকৃত ভাষার ক্রমবিকাশ*।

[5] সেন, সুকুমাৰ, 1968 ঃ *ভাষার ইতিবৃত্ত*।

ইংৰাজী গ্ৰন্থ ঃ

(6) Biswas, Sukumar, 1970 & *A Comparative Old Indo-Aryan Grammar*, Bani Prakash, Pathsala, Guwahati.

[7] Pischel, R., 1981 ঃ *A Grammar of the Prakrit Language.*

[8] Sen, S., 1960 ঃ *A Comparative Grammar of Middle Indo Aryan.*

[9) Woolner, Alfred Cooper, 1917 ঃ *Introduction to Prakrit*. University of Lahore. 1917.

৮.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ পালিৰ উদ্ভৱস্থল সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন মত আগবঢ়াইছে।..... দুটামান মতৰ চমু পৰিচয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ কোনো কোনো পণ্ডিতে 'পাল' ধাতুৰ পৰা পালি শব্দৰ উৎপত্তি হোৱা বুলি কৈছে.....কোনো কোনোৱে 'পল্লী' শব্দৰ পৰা আৰু আন কোনোৱে 'পংক্তি'ৰ পৰা 'পালি' শব্দৰ উৎপত্তি হোৱা বুলি ধাৰণা কৰিছে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ পালি ভাষাৰ চমু পৰিচয়..... পাঠৰ আলোচনাৰ আধাৰত পালি ভাষাৰ বিবিধ ভাষাতাত্ত্বিক বৈশিষ্ট্য উদাহৰণসহ উল্লেখ কৰক।

৮.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ পালিৰ উদ্ভৱস্থল সম্পৰ্কে থকা মতসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ পালি ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ পালি ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুৱাওক।

প্ৰশ্ন ৪ ঃ পালি ভাষাৰ শব্দৰূপ আৰু ধাতুৰূপৰ বিষয়ে খৰচি মাৰি আলোচনা কৰক।

*** ***** ***

অসমাপিকা ৰূপ ঃ

পালিৰ বৰ্তমান কালৰ কৃদন্ত গঠনৰ প্রত্যয় চাৰিটা— শতৃ > অং, অন্ত; শানচ্ > আন, মান। পালিত অতীত কৃদন্ত গঠিত হয় ত, ন, আৰু কৃৎ প্রত্যয়ৰ যোগত। আনহাতে, ভৱিষ্যৎ কৃদন্ত গঠনৰ প্রত্যয় চাৰিটা— তব্ব, অনীয়, য্য আৰু সসং। পালিত তুমুনন্ত (নিমিত্তার্থক ক্রিয়া) গঠনৰ বাবে সংস্কৃতৰ তুমুন্ (তুম্) প্রত্যয়েই— তুং ৰূপে ব্যৱহাৰ হয়। অৱশ্যে-- তৱে, তুয়ে, তায়ে আদি কেইটামান অতিৰিক্ত প্রত্যয়ৰ ব্যৱহাৰো লক্ষণীয়।

তুং— ..... ÙÂ তুং > কুত্তং, কাতুং



অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ৩ ঃ পালি ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যবোৰ উল্লেখ কৰক (150টা শব্দৰ ভিতৰত)।

.....



৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পালি ভাষাৰ উদ্ভৱস্থল সম্পর্কে বিভিন্ন মত পোৱা যায়। ওড়িশাৰ ভূৱনেশ্বৰৰ ওচৰৰ উদয়গিৰি পাহাৰৰ হাতিগুম্ফাত খোদিত কলিংগৰাজ খাৰবেলাৰ অনুশাসনৰ (খ্রীষ্ট পূর্ব প্রথম শতিকা) ভাষাৰ লগত পালি ভাষাৰ বিশেষ মিল লক্ষ্য কৰি জার্মান পণ্ডিত ওল্ডেন বার্গ (Oldenerg) আৰু মূলাৰে (Muller) সিদ্ধান্ত কৰিছে যে ওড়িশাৰ আঞ্চলিক ভাষাৰ ওপৰত ভিত্তি কৰিয়েই পালি ভাষা গঢ় লৈ উঠিছিল।
- পালি ভাষাক সমন্বয়ী ভাষা বা Compromising Speech বোলা হয়। পালিৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যবোৰ আলোচনা কৰিলে বিভিন্ন শ্রেণীৰ প্রাকৃতৰ লগত এই ভাষাৰ গভীৰ সাদৃশ্য লক্ষ্য যায়। এই কথাই ইয়াকে প্রমাণ কৰে যে বিভিন্ন শ্রেণীৰ প্রাকৃতৰ পৰা উপাদান আহৰণ কৰি পালি নামৰ এই Compromising Speech টোৰ বিকাশ হৈছিল।



৮.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

[1) গোস্বামী, উপেন্দ্রনাথ, 2000 ঃ *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ*। বৰুৱা এজেঞ্চি, গুৱাহাটী।

[3] লুঙ্ (Past Aorist/সামান্য অতীত)	[3] বিধিলিঙ্(বিধি বা ইচ্ছা প্রকাশক/ Optative)
[4] লিট্ (Past Perfect)	[4]আশীর্লিঙ্(আশীর্বাদসূচক Benedictive)
[5] লৃট্ (Future or Future indicative)	
[6] লুট্ (Future perfect)	

এই দহ প্রকাৰৰ বিভক্তি পুনৰ পৰস্মৈপদ আৰু আত্মনেপদ— দুভাগত বিভক্ত। দুয়োভাগৰে তিনিটাকৈ বচন আৰু পুৰুষ আছে। গতিকে পৰস্মৈপদ নটা আৰু আত্মনেপদ নটা,— সৰ্বমুঠ ওঠৰটা আকৃতি আছে। পৰস্মৈপদ আৰু আত্মনেপদ দুয়ো প্রকাৰৰ বিভক্তিৰ ৰূপত দহোটাকৈ ল-কাৰত প্রতিটোতে নৰ্ৱেটাকৈ ধৰি সংস্কৃতত মুঠ ক্রিয়া-বিভক্তিৰ সংখ্যা এশ আশীটা।

বিভক্তি যোগ হোৱাৰ পিছত সংস্কৃতৰ ধাতুবোৰৰ আকৃতিৰ যি পৰিৱর্তন হয়, সেই পৰিৱর্তনৰ ভিত্তিত ধাতুবোৰক শৃংখলাবদ্ধ কৰিবৰ বাবে কিছুমান ভাগত ভগোৱা হৈছে। এই ভাগবোৰক 'গণ' বোলা হয়। 'গণ' মানে শ্রেণী। সংস্কৃতত এনে গণ দহোটা— ভ্বাদি, অদাদি, হ্বাদি, দিৱাদি, স্বাদি, তুদাদি, ৰুধাদি, তনাদি, ক্রাদি আৰু চুৰাদি।

শব্দৰূপৰ দৰে পালি ধাতুৰূপো সংস্কৃতৰ তুলনাত যথেষ্ট সৰল হ'ল। পালিৰ ধাতুৰূপত দ্বিবচন লোপ পালে। আত্মনেপদ আৰু পৰস্মৈপদৰ মাজৰ পার্থক্য হ্রাস পালে - আত্মনেপদৰ বিভক্তিৰ ঠাইত পৰস্মৈপদৰ বিভক্তি প্রয়োগ হোৱা দেখা গ'ল।

পালিত কাল আৰু ভাবপ্রকাশৰ ল-কাৰ আঠটা। সংস্কৃতৰ 'লুট্' আৰু 'আশীর্লিঙ' পালিত লোপ পালে।

পালিত সংস্কৃতৰ দহোটা গণৰ ঠাইত সাতোটা ৰক্ষিত হ'ল ; সংস্কৃতৰ অদাদি, তুদাদি, হ্বাদি গণীয় ধাতুবোৰ পালিত ভ্বাদিৰ দৰে ৰূপ হ'ল।

পালি তিঙ্-বিভক্তিৰ চানেকি হিচাপে লট্-ৰ পৰস্মৈপদী আৰু আত্মনেপদী বিভক্তিবোৰ দেখুওৱা হ'ল ঃ

পৰস্মৈপদ

	প্রথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	তি	সি	মি
বহুবচন	অন্তি	থ	ম

আত্মনেপদ

	প্রথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	তে	সে	এ
বহুবচন	অন্তে	ৱহে	ম্হে

মধ্যম পুৰুষ ঃ তুম্হ (যুষ্মদ্)

	একবচন	**বহুবচন**
1মা	তং, তুৱং	তুমহে
2য়া	তং, তুৱং, তবং	তুম্হে, তুম্হাকং
3য়া	ত্বয়া, তয়া	তুম্হেহি, তুম্হেভি
4র্থী	তৱ, তমহং, তুয্ঝং, তে	তুম্হাকং
5মী	ত্বয়া, তয়া	তুম্হেহি, তুম্হেভি
6ষ্ঠী	তৱ, তুমহং, তুযঝং, তে	তুম্হাককং
7মী	ত্বয়ি, তয়ি	তুম্হেসু

প্রথম পুৰুষ ঃ ত (তদ্)

	একবচন	**বহুবচন**
1মা	সো, স	তে, ণে
2য়া	তং, ণং	তে, ণে
3য়া	তেণ	তেহি
4র্থী	তস্স	তেসং
5মী	তেণ	তেহি
6ষ্ঠী	তস্স	তেসং
7মী	তস্মিং	তেস

পালিৰ ধাতুৰূপ ঃ

শব্দৰূপৰ দৰেই ধাতুৰূপৰ ক্ষেত্ৰতো পালি ভাষাৰ বিশেষত্ব বুজিবলৈ সংস্কৃত ধাতুৰূপৰ বিষয়ে কিছু কথা অৱগত হোৱা নিতান্ত প্ৰয়োজন।



জানি থোৱা ভাল

ধাতুৰ পিছত বিভিন্ন ক্ৰিয়া-বিভক্তি যোগ হৈ ভিন ভিন্ন বচন, পুৰুষ, কাল আৰু ভাব অনুসৰি ৰূপ হৈ ক্ৰিয়া সম্পন্ন হোৱাৰ অর্থ প্ৰকাশ কৰাকে সাধাৰণভাৱে ধাতুৰূপ বোলা হয়। সংস্কৃতৰ ক্ৰিয়া বিভক্তিবোৰক তিঙ্-বিভক্তি বোলা হয়। কাল আৰু ভাব অনুসৰি তিঙ-বিভক্তিবোৰক দহটা ভাগত ভগোৱা হয় আৰু এইবোৰক (দহোটা) ল-কাৰ বোলে)।

কাল অনুসৰি	**ভাব অনুসৰি**
[1) লট্ (Present indicative)	[1)লোট্(অনুজ্ঞাৰ্থimperative)
[2) লঙ্ (Past imperfect)	[2)লৃঙ্(সম্ভাব্যৰ্থ conditional)

ৰূপবোৰ বহুবচনৰ দৰে ৰূপ হ'বলৈ ল'লে। পালিত নামত লিংগ তিনিটাই থাকিল যদিও, এই স্তৰত সংস্কৃতৰ জটিলতা বহুলাংশে হ্রাস পালে। কাৰণ, পালিত ঘাইকৈ অর্থানুযায়ীহে লিংগ নির্ণয় কৰাৰ নিয়ম হ'ল। সংস্কৃতৰ পুংলিঙ্গ শব্দ পালিত ক্লীৱলিংগ হ'ল আৰু ক্লীৱলিংগ শব্দ পুংলিঙ্গ হ'ল। গতিকে পালিৰ শব্দৰূপ সংস্কৃতৰ তুলনাত যথেষ্ট সৰল হৈ পৰিল।

পালিত ই-কাৰান্ত, উ-কাৰান্ত, ও-কাৰান্ত শব্দৰূপ অ-কাৰান্ত শব্দৰ দৰেই হ'ল। উদাহৰণ স্বৰূপে, সংস্কৃতত ষষ্ঠীৰ একবচনত পুত্র, মুনি, সাধু, পিতৃ আদি অ-কাৰান্ত, ই-কাৰান্ত, উ-কাৰান্ত, ঋ-কাৰান্ত শব্দবোৰ যথাক্রমে পুত্রস্য, মুণেঃ, সাধোঃ, পিতুঃ, এনে ভিন্ন ভিন্ন ৰূপ হয়, কিন্তু পালিত অ-কাৰান্ত শব্দৰ সাদৃশ্যৰে এইবোৰ পুত্রস্স, মুণিস্স, সাধুস্স, পিতুস্স— এনে ধৰণৰ হৈ পৰিল।

পালি ভাষাত কেইবাটাও কাৰকত একেই বিভক্তি যোগ হোৱাৰ ফলত বৈদিক-সংস্কৃতৰ কাৰকৰ বৈচিত্র্য হ্রাস পালে। কৰণ আৰু অপাদানত 3য়া, 5মী আৰু সম্প্রদান আৰু সম্বন্ধপদত 4র্থী, 6ষ্ঠী বিভক্তি একে হৈ পৰিল।

পালিৰ বিভক্তি	একবচন	বহুবচন
1মা	ও	আ, এ
2য়া	ং	এ, (য়)
3য়	এন, ন (আ)	হি, ভি
4র্থী	স্স (য়)	নং
5মী	স্মা (মহা)	হি, ভি
6ষ্ঠী	স্স (য়)	নং
7মী	স্মিং, ম্হি (এ)	সু

পালি ভাষাৰ সর্বনাম শব্দৰ ৰূপ তলত দেখুওৱা হ'ল ঃ

সর্বনাম শব্দৰূপৰ চানেকি

উত্তম পুৰুষ ঃ অম্হ (অস্মদ্)

	একবচন	বহুবচন
1মা	অহং	ময়ং, অমহে
2য়া	মং, মমং	অমহাকং, অম্হে
3য়া	ময়া, মে	অম্হেহি, অমহেভি
4র্থী	মম, মমং, মজ্ঝং, মে	অস্মাকং, অম্হাকং
5মী	ময়া, মে	অম্হেহি, অম্হেভি
6ষ্ঠী	মম, মমং, মজ্ঝং, মে	অস্মাকং, অম্হাকং
7মী	ময়ি	অম্হেসু

অগ্নি > অগ্‌গি (সমীভৱন),

জিহ্বা > জিভ্‌হা,

পুষ্প > পুপ্‌ফ আদি তাৰ কেতবোৰ উদাহৰণ।

পালি ভাষাৰ শব্দৰূপ ঃ

পালি ভাষাৰ শব্দৰূপ সংস্কৃতৰ তুলনাত যথেষ্ট সৰল হ'ল। পালি শব্দৰূপৰ এই পৰিৱৰ্তন সম্বন্ধে বুজিবলৈ সংস্কৃতৰ শব্দৰূপৰ যৎ কিঞ্চিৎ কথা জানি লোৱা উচিত। সংস্কৃতত এটা নামমূল বা প্ৰাতিপদিকত কাৰক, বচন আৰু লিংগ অনুযায়ী সুকীয়া সুকীয়া বিভক্তি লগ লাগে। আকৌ নামমূল বা প্ৰাতিপদিকটো স্বৰান্ত নে ব্যঞ্জনান্ত, স্বৰান্ত যদি কি স্বৰ— এই কথাৰ ভিত্তিতো শব্দৰূপৰ আকৃতি-প্ৰকৃতি সলনি হয়।

সংস্কৃতৰ লিংগ নিৰূপণ এক জটিল প্ৰক্ৰিয়া। এই ভাষাত কেতিয়াবা আকৃতি লৈ (শব্দটোৰ শেষৰ বৰ্ণ অনুসৰি), কেতিয়াবা অৰ্থ লৈ আৰু কেতিয়াবা প্ৰত্যয় লৈ লিংগ নিৰূপণৰ সুনিৰ্দিষ্ট নিয়ম আছে। যেনে 'ঘৈণী' বুজাবলৈ সংস্কৃতত তিনিটা শব্দ আছে আৰু এই শব্দকেইটাৰ প্ৰতিটোৱে লিংগ বেলেগ বেলেগ বেলেগ, যেনে— ভাৰ্যা (স্ত্ৰী), দাৰ (পুং), কলত্ৰ (ক্লীৱলিংগ)। সংস্কৃতৰ বচন তিনিটা— একবচন, দ্বিবচন আৰু বহুবচন।



জানি থোৱা ভাল

সংস্কৃতৰ কাৰকবাচক বিভক্তিবোৰক সুপ্ বিভক্তি বোলা হয়। মুঠ সাতোটা কাৰকত তিনিটা বচনৰ সুকীয়া সুকীয়া বিভক্তি আছে। সেই হিচাপে সংস্কৃতত সুপ্ বিভক্তিৰ সংখ্যা 21টা—

সুপ্ বিভক্তি	একবচন	দ্বিবচন	বহুবচন
1মা	সু	ঔ	জস্
2য়া	অম্	ঔ	শস্
3য়া	টা	ভ্যাম্	ভিস্
4র্থী	ঙে	ভ্যাম্	ভ্যস্
5মী	ঙসি	ভ্যাম্	ভ্যস্
6ষ্ঠী	ঙস্	ওম্	আম্
7মী	ঙি	ওস্	সুপ্

গতিকে, নামশব্দ এটা ৰূপ কৰোঁতে শব্দটোৰ শেষৰ বৰ্ণ কি, শব্দটোৰ লিংগ কি আৰু বচন কি— এইকেইটা কথা বিবেচনা কৰিহে নিৰ্দিষ্ট কাৰকৰ বিভক্তি লগ লগাব পাৰি। গতিকে, সহযে বুজিব পাৰিযে সংস্কৃতৰ শব্দৰূপ অত্যন্ত নিয়মবদ্ধ আৰু জটিল।

পালিত ব্যঞ্জনান্ত শব্দৰূপ নাই। স্বৰান্তৰ ভিতৰতো আকৌ ঋ-কাৰান্ত আৰু দ্বিস্বৰান্ত (ঐ ঌ ঔ) শব্দৰূপো নাই। একেদৰে পালিত দ্বিবচন লোপ পোৱাত দ্বিবচনৰ

বহির্সন্ধি	অন্তর্সন্ধি
স্বৰ বহির্সন্ধি	স্বৰ অন্তর্সন্ধি
মিশ্ৰ বা বমিস্‌সক বহির্সন্ধি	মিশ্ৰ অন্তর্সন্ধি
অনুস্বাৰ বা নিগ্‌গহীত বহির্সন্ধি	অক্ষৰ অন্তর্সন্ধি

স্বৰ বহির্সন্ধি ঃ

প্ৰথম শব্দৰ শেষ স্বৰ আৰু দ্বিতীয় শব্দৰ আদি স্বৰৰ সন্ধি হওঁতে কেতিয়াবা পূৰ্বস্বৰ লোপ পায়। কোনো কোনো ক্ষেত্ৰত পৰৱৰ্তী স্বৰো লোপ পায়, যেনে—

তথা + এৱ > তথেৱ (প্ৰথম শব্দৰ শেষৰ স্বৰ আ-ৰ লোপ),

সো + ইমং > সোমং (দ্বিতীয় শব্দৰ আদি স্বৰ ই-ৰ লোপ) ইত্যাদি।

কেতিয়াবা শব্দ দুটাৰ মাজলৈ ত, দ, ন, স, ৱ, ল ধ্বনিৰ আগম হয়, যেনে—

অজ্জ + অগ্‌গে > অজ্জতগ্‌গে,

ৰাজা + ইৱ > ৰাজাৱিৱ ইত্যাদি।

মিশ্ৰ বা বমিস্‌সক বহির্সন্ধি ঃ

প্ৰথম শব্দৰ শেষ স্বৰ আৰু পিছৰ শব্দৰ আদি ব্যঞ্জনৰ মিলন হওঁতে কেতিয়াবা হ্ৰস্ব স্বৰ দীৰ্ঘ হয় বা দীৰ্ঘ স্বৰ হ্ৰস্ব হয়; কেতিয়াবা স্বৰটো লোপ পায় বা স্বৰটোৰ ঠাইত 'অ'-ৰ আগম হয়, যেনে—

মুণি + চৱে > মুণীচৱে (ই > ঈ, হ্ৰস্ব > দীৰ্ঘ),

যথা + ভাৱি > যথভাৱি (আ > অ, দীৰ্ঘ > হ্ৰস্ব),

এসো + ধৰ্ম্ম > এসধম্ম (ও > অ) ইত্যাদি।

অনুস্বাৰ বা নিগ্‌গহীত বহির্সন্ধি ঃ

প্ৰথম শব্দৰ শেষত থকা অনুস্বাৰ আৰু দ্বিতীয় শব্দৰ আদি স্বৰ বা ব্যঞ্জনৰ সন্ধি তলত দিয়া ধৰণে হোৱা দেখা যায়—

- ব্যঞ্জনৰ সন্ধিৰ ক্ষেত্ৰত অনুস্বাৰ লোপ পায় আৰু অনুস্বাৰৰ লগত যি বৰ্গৰ ব্যঞ্জন থাকে সেই বৰ্গৰ পঞ্চম বৰ্ণৰ আগম হয়, যেনে—

  থলং + চ = থলঞ্চ ('চ' বৰ্গৰ পঞ্চম বৰ্ণ ঞ)।

  কিন্তু, ব্যঞ্জনটো 'ল' হ'লে আৰু এটা 'ল'ৰ আগম হয়, যেনে—

  পুং + লিংগ > পুল্লিংগ।

- অনুস্বাৰৰ পাছত স্বৰবৰ্ণ থাকিলে, অনুস্বাৰৰ ঠাইত 'ম' হয় আৰু কেতিয়াবা অনুস্বাৰ লোপ পায়, যেনে— তং + এথং > তমথং, কিং + ইতি > কিন্তি।

স্বৰ অন্তর্সন্ধি আৰু মিশ্ৰ বা বমিস্‌সক অন্তর্সন্ধি সাধাৰণভাৱে বহির্সন্ধিৰ অনুৰূপ। অৱশ্যে তাৰ মাজতো দুই-এটা মৌলিক বৈশিষ্ট্য লক্ষ্য কৰা যায়।

অক্ষৰ সন্ধি হৈছে শব্দৰ ভিতৰৰ ধ্বনি -পৰিৱৰ্তন। পালি ভাষাত অন্তর্সন্ধিয়ে গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। ভাষাটোত এই সন্ধিৰ আধিক্য লক্ষণীয়—

কেতিয়াবা স্বৰভক্তিৰে আৰু কেতিয়াবা স্বৰাগমনৰ দ্বাৰা আদিস্থিত সংযুক্ত ব্যঞ্জনক একক ব্যঞ্জন কৰা হয়, যেনে—ক্লেশ > কিলেস (স্বৰভক্তি), স্ত্রী > ইত্থী (স্বৰাগম)।

আদিস্থিত ত্য ধ্য, দ্য, জ্ঞ, স্থ ক্রমে চ, ঝ, জ, ঞ, থ লৈ ৰূপান্তৰ হয়, যেনে—

ত্যাগঃ > চাগো; ধ্যানং > ঝানং, দ্যুতি > জুতি, জ্ঞানং > ঞানং, স্থবিৰ > থেৰ, ইত্যাদি।

- মধ্যস্থিত সংযুক্ত ব্যঞ্জন বেছিভাগ ক্ষেত্রতে সৰল হৈ পৰিল। এনে সৰলীভৱনক সমীভৱন, স্বৰভক্তি, বর্ণ-বিপর্যয় আদিৰে ব্যাখ্যা কৰিব পাৰি।

  সমীভৱনৰ দ্বাৰা— সপ্ত > সত্ত, দুর্গত > দুগ্গত, ধর্ম > ধম্ম
  অগ্নি > অগ্গি, লগ্ন > লগ্গ্
  পুষ্প > পুপ্ফ, হস্ত > হত্থ ইত্যাদি।

  বর্ণ-বিপর্যয়— তৃষ্ণা > তণ্হা, গ্রীষ্ম > গিম্হ
  জিহ্বা > জিব্হা ইত্যাদি।

  অপিনিহিতি— র্য > ৰিয়; আশ্চর্য > অচ্ছৰিয়।

- ক্ষ > ক্খ/চ্ছ হয়— চক্ষু > চক্খু, অক্ষি > অচ্ছি ইত্যাদি।
- অন্ত্য সংযুক্ত ব্যঞ্জনৰ ক্ষেত্রতো সমীভৱন আৰু বর্ণ-বিপর্যয়ৰ দ্বাৰা পৰিৱর্তন ঘটিল।

পালি ভাষাৰ সন্ধি ঃ

সংস্কৃত ভাষাত ওচৰা-উচৰিকৈ থকা দুটা শব্দৰ শেষ আৰু আদি ধ্বনিৰ মিলনৰ ফলত দুয়োটা ধ্বনিৰ গুণৰ পৰিৱর্তন হৈ শব্দ দুটাৰ পৰা এটা নতুন শব্দ সৃষ্টি হোৱাকে সন্ধি বোলা হয়।



জানি থোৱা ভাল

সন্ধিক আধুনিক ভাষাবিজ্ঞানে বহুলভাৱে দুভাগত ভগাইছে— (ক) বহির্সন্ধি (external sandhi) আৰু (খ) অন্তর্সন্ধি (internal sandhi)। দুটা শব্দৰ মাজত হোৱা সন্ধিয়েই বহির্সন্ধি। আনহাতে ধাতু বা শব্দৰ লগত বিভক্তি বা প্রত্যয়ৰ সন্ধিয়েই অন্তর্সন্ধি।

স্বৰসন্ধি = স্বৰবর্ণ + স্বৰবর্ণ

ব্যঞ্জনসন্ধি = ব্যঞ্জনবর্ণ + ব্যঞ্জনবর্ণ বা ব্যঞ্জনবর্ণ + স্বৰবর্ণ

বিসর্গসন্ধি = বিসর্গ + স্বৰবর্ণ ঐ ব্যঞ্জনবর্ণ।

পালি ভাষাত অনুস্বাৰৰ বাহিৰে পদান্ত ব্যঞ্জন লোপ পোৱাৰ বাবে পালিত ব্যঞ্জন সন্ধি নাই। আনহাতে আৰম্ভণিতো সংযুক্ত ব্যঞ্জনৰ ব্যৱহাৰ কম। গতিকে পালি ভাষাৰ সন্ধিক এনেদৰে ভগাব পাৰি—

অ >	আ	ঃ	অলিন্দ	>	আলিন্দ
	ই	ঃ	কস্য	>	কিস্স
	এ	ঃ	অত্র	>	এত্থ, ইত্যাদি
আ >	অ	ঃ	মাংস	>	মংস
ই, ঈ >	উ		শিশুক	>	সুসুকো
উ, ঊ >	অ		স্ফুৰতি	>	ফৰতি
এ >	আ		কেয়ূৰ	>	কায়ূৰ
ও >	উ		জোৎস্না	>	জুন্হা, ইত্যাদি।

ব্যঞ্জন ধ্বনিৰ পৰিৱৰ্তন ঃ

পালিত ব্যঞ্জন বৰ্ণৰ সংখ্যা 31টা। সংস্কৃত ভাষাৰ শ আৰু ষ ৰ ব্যৱহাৰ পালিত লোপ পালে, যেনে— শব্দ > সদ্দ (শ > স), বর্ষ > বস্স (ষ > স)।

পালিত বিসর্গৰ প্রয়োগ নাই। সংস্কৃতৰ বিসর্গ (ঃ) পালিত বিভিন্ন ধৰণে পৰিৱর্তিত হৈছে, যেনে—

অন্ত্য অৱস্থানৰ বিসর্গযুক্ত অ-কাৰ ঠাইত ও হ'ল, যেনে— নৰঃ > নৰো

'অ'ৰ বাহিৰে অন্যস্বৰৰ বিসর্গ লোপ পালে, যেন—ভিক্ষুঃ > ভিক্খু

অগ্নিঃ > অগ্গি।

পালিত পৰিৱর্তন ঘটা অন্যান্য ব্যঞ্জনধ্বনিবোৰৰ ৰূপ এনে ধৰণৰ—

- পদান্ত 'ম্'-কাৰৰ ঠাইত অনুস্বাৰ হ'ল, যেনে—গৃহম্ > গেহং,বুদ্ধম্ > বুদ্ধং।
- 'ন', 'ণ', আৰু 'য', 'জ সাধাৰণতে ৰক্ষিত হয়, যেনে—নিদ্রা > নিদ্দা, শ্রমণঃ > শ্রমণো, যাৱৎ > যাৱ, জ্বলতি > জলতি ইত্যাদি। আকৌ কেতিয়াবা 'ন' কেতিয়াবা 'ণ' হয়, যেনে— অৱনত > ওণত।
- অনুস্বাৰৰ বাহিৰে সকলো পদান্ত ব্যঞ্জন লুপ্ত হ'ল, যেনে—

  সম্যক > সম্মা, পশ্চাৎ > পচ্ছা।
- পালিত ৰেফ (র্)-ৰ প্রয়োগ নাই। ৰেফযুক্ত সংস্কৃত ব্যঞ্জন প্রায়েই দ্বিত্ব হয়, যেনে—

  সর্ব > সব্ব, কার্য > কয্য।
- ঘোষীভৱন, অঘোষীভৱন, মহাপ্রাণতা আদি ধ্বনিগত পৰিৱর্তনৰ বাবে আদি আৰু মধ্যস্থিত একক ব্যঞ্জনৰ বিভিন্ন ধৰণৰ পৰিৱর্তন ঘটিল, যেনে—

  বিবেক > বিবেগ (-ক > -গ, ঘোষীভৱন)

  প্রাজন > পাচন (-জ- > -চ-, অঘোষীভৱন)

  কুব্জ > খুব্জ (ক- > খ-, মহাপ্রাণতা)

  কৃত > কট (-ত > -ট, মূর্ধন্যীভৱন)।
- শব্দৰ আদিস্থানৰ সংযুক্ত ব্যঞ্জন কেতিয়াবা ৰক্ষিত হৈছে, যেনে—

  স্বাগত > স্বাগত; ব্রাহ্মণ > ব্রাহ্মণ।

৮.৩.২ পালি ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ

ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

পালি ভাষাত সংস্কৃত বৰ্ণমালাই ব্যৱহৃত হৈছিল যদিও এই স্তৰত সংস্কৃত ভাষাৰ স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ ভালেমান দিশত পৰিৱৰ্তন ঘটিছিল।

স্বৰবৰ্ণ ঃ

পালিত সংস্কৃতৰ চৈধ্যটা প্ৰধান স্বৰৰ ভিতৰত আঠোটাৰহে ব্যৱহাৰ থাকিল। সেইকেইটা হ'ল— অ, আ, ই, ঈ, উ, ঊ, এ, ও। মাত্ৰা বা দৈৰ্ঘৰ ফালৰ পৰা অ, ই, উ হ্ৰস্ব আৰু আ, ঈ, ঊ দীৰ্ঘ। সংস্কৃতৰ কম্পিত ঋ, ৠ , ঌ, ৡ আৰু দ্বিস্বৰ ঐ, ঔ পালিত নোহোৱা হ'ল বা অন্য স্বৰলৈ পৰিবৰ্তন হ'ল।

ঋ > অ, ই, উ, এ, ৰ, ৰি, ৰু লৈ পৰিৱৰ্তিত হ'ল। যেনে—

ঋ > অ ঃ কৃত > কত

ঋ > ই ঃ তৃণ > তিন

ঋ > উ ঃ ঋতু > উতু

ঋ > এ ঃ গৃহ > গেহ

ঋ > ৰ ঃ বৃহৎ > ব্ৰহা

ঋ > ৰি ঃ ঋণ > ৰিণ

ঋ > ৰু ঃ বৃক্ষ > ৰুকখ।

ঌ, ৡ-ৰ প্ৰয়োগ সংস্কৃত স্তৰতে লুপ্ত হৈছে। তাৰ ঠাইত ল প্ৰয়োগ হৈছিল। যেনে—ক্ঌপ্ ধাতুৰ ৰূপ কল্পতে। পালি কল্পতে > কপ্পতে হৈছে। কাৰো কাৰো মতে, ঌ> উ, ইলি ধ্বনিলৈ ৰূপান্তৰিত হৈছে। হ'ল।

ঐ আৰু ঔ বেছি ভাগ ক্ষেত্ৰতে 'এ' আৰু 'ও' লৈ ৰূপান্তৰিত হৈছে। যেনে—

ঐ > এ ঃ শৈল > সেল, ভৈৰৱ > ভেৰৱ

ঔ > ও ঃ যৌৱন > যোব্বন, গৌতম > গোতম।

সংযুক্ত ব্যঞ্জনৰ আগত থাকিলে ঐ > ই, ঈ আৰু ঔ > উ হয়, যেনে—

সৈন্ধৱ > সিন্ধৱ, গ্ৰৈৱেয়ং > গীৱেয্যং

মৌক্তিকম্ > মুত্তিঅং।

বৈদিক-সংস্কৃতৰ দ্ব্যক্ষৰ 'অয়' আৰু 'অৱ' প্ৰায়ে ৰক্ষিত হৈছে যদিও কেতিয়াবা 'এ' আৰু 'ও' লৈ পৰিবৰ্তন ঘটিছে, যেনে—

জয়তি > জেতি

ভৱতি > ভোতি

স্বৰধ্বনিৰ উপৰি উপৰি উক্ত পৰিৱৰ্তনৰ উপৰি ব্যৱহৃত আঠোটা স্বৰ কেতিয়াবা অনিয়মিত ধৰণে অন্য স্বৰলৈ ৰূপান্তৰ হোৱাও দেখা যায়, যেনে -

পালিৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যবোৰ আলোচনা কৰিলে বিভিন্ন শ্ৰেণীৰ প্ৰাকৃতৰ লগত তাৰ গভীৰ সাদৃশ্য দেখা যায়। ইয়াৰ পৰা এইটোৱে প্ৰমাণিত হয় যে বিভিন্ন শ্ৰেণীৰ প্ৰাকৃতৰ পৰা উপাদান আহৰণ কৰি এই Compromising Speech-টোৰ বিকাশ হৈছিল।

'পালি' নামৰ তাৎপর্য ঃ

পালি নামটোৰ উৎস সম্পর্কে কেইবাটাও মত পোৱা যায়। কোনো কোনো পণ্ডিতৰ মতে 'পাল', অর্থাৎ পালন কৰা— এনে অর্থত পালি শব্দৰ উৎপত্তি হৈছে। তেওঁলোকৰ ধাৰণাত বুদ্ধৰ বাণী এই ভাষাই ধাৰণ আৰু পালন কৰা বাবে ইয়াক পালি বোলা হৈছে।


কাৰো কাৰো মতে, পল্লী শব্দৰ পৰাহে 'পালি' হৈছে। 'পল্লী' শব্দৰ যুক্তব্যঞ্জন 'ল্ল'-ৰ এটা 'ল' লোপ পাই আৰু তাৰ পূর্বৱর্তী হ্রস্বস্বৰ দীর্ঘ হৈ পালি শব্দৰ উৎপত্তি হৈছে। প্ৰাচীন ভাৰতৰ জনসাধাৰণ আছিল মূলতঃ পল্লীবাসী আৰু এই পল্লীবাসীৰ মাজতেই বুদ্ধৰ বাণী প্ৰচাৰিত হোৱাৰ কাৰণে পল্লীৰ পৰাই পালিৰ উৎপত্তি হোৱা বুলি ভবা হৈছে। তৃতীয় মত অনুসৰি, 'পাঠ'-ৰ পৰা পালি হৈছে। যি ভাষাত বুদ্ধদেৱৰ উপদেশৰ পাঠ (Linguistic features of Pali) সংৰক্ষিত, সিয়েই পালি।

মগধৰাজ অশোকে বৌদ্ধধর্মৰ পৃষ্ঠপোষকতা কৰিছিল বাবে কোনো কোনোৱে মগধৰ ৰাজধানী পাটলিপুত্ৰৰ 'পাটলি' অংশটোকে পালিৰ মূল বুলিব খোজে।

সুকুমাৰ সেনৰ মতে, সংস্কৃত 'পৰিভাষা'ৰ পৰা পালিৰ উৎপত্তি হ'ব পাৰে। পৰিভাষা > *পাৰিভাষা > পালিভাষা, পালি— এনেদৰে তেওঁ শব্দটোৰ ব্যুৎপত্তি দেখুৱাইছে।

পালি পণ্ডিত বিধুশেখৰ শাস্ত্রীৰ মতে, 'পালি' শব্দৰ অর্ধ পংক্তি, অর্থাৎ শাস্ত্র পংক্তি বা শাস্ত্রৰ ভাষা।

মুঠতে পালি শব্দটোৰ ব্যুৎপত্তিৰ সন্দর্ভত পণ্ডিসকল আজিও একমতত উপনীত হ'ব পৰা নাই। সেয়ে হ'লেও, এই শব্দটোৰ ব্যুৎপত্তিৰ সন্দর্ভত বিধুশেখৰ শাস্ত্রীৰ মতৰ সমর্থক আনবোৰৰ তুলনাত কিছু বেছি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পালিৰ উদ্ভৱৰ লগত জড়িত কেইটামান মত উল্লেখ কৰক (75টা শব্দৰ ভিতৰত)।

.....

প্রশ্ন নং ২ ঃ 'পালি' নামৰ তাৎপর্য কি? (50টা শব্দৰ ভিতৰত)।

.....

জন্মস্থান কোশল অঞ্চল। পালি-বিশেষজ্ঞ সতীশচন্দ্ৰ বিদ্যাভূষণ, গেইগাৰ, উইণ্টাৰনিট্‌জ, ছাইল্ডার্ছ. বেণী মাধৱ বৰুৱা আদিৰ ধাৰণা যে, মগধ অঞ্চলৰ মাগধী ভাষাৰ পৰাই পালিৰ জন্ম হৈছে। অৱশ্যে এই মাগধী সাহিত্যত ব্যৱহৃত মাগধী প্ৰাকৃত নহয়; ই আছিল তেতিয়াৰ মগধ অঞ্চলৰ কথিত ভাষা। আন কোনোৱে আকৌ অনুমান কৰে যে, ভাৰতীয় আৰ্য ভাষাৰ প্ৰাকৃত স্তৱটোৰ প্ৰথম সূচনা হৈছিল পূবত— কোশল-মগধ আদি অঞ্চলৰ ব্ৰাত্য আৰ্যসকলৰ মাজত। ই আছিল মৌৰ্যসকলৰ ৰাজতন্ত্ৰৰ ভাষা। বুদ্ধদেৱে পোনতে এই ভাষাতে ধৰ্মৰ বাণী প্ৰচাৰ কৰিছিল। কিন্তু মৌয্য সাম্ৰাজ্যৰ পতনৰ পাছত পূৰ্বী (প্ৰাচ্যা) উপভাষাটোৰ মৰ্যাদা হ্ৰাস পায়।

ভাৰতৰ সমাজ-সংস্কৃতিৰ বিৱৰ্তনৰ ধাৰাত একালত মধ্য ভাৰতৰূপে জনাজাত পশ্চিম অঞ্চলটো সদায় গুৰুত্বপূৰ্ণ ৰূপে বিবেচিত হৈ আহিছে। এই অঞ্চলৰ ভাষা বৈদিক-সংস্কৃতৰ বেছি ওচৰ চপা হোৱাৰ কাৰণো এয়ে যে এই অঞ্চলৰ বাসিন্দাসকলে বৈদিক ভাষা-সংস্কৃতিৰ প্ৰতি সদায় সংৰক্ষণশীল ভূমিকা লৈ আহিছে।

সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে, ভাষাতাত্ত্বিক দিশত পালি পশ্চিম অঞ্চ লত বিকশিত শৌৰসেনী প্ৰাকৃতৰ অধিক ওচৰ চপা। বুদ্ধই প্ৰাচ্য দেশৰ ভাষাৰে পোনতে ধৰ্ম প্ৰচাৰ কৰিলেও পাছলৈ শৌৰসেনী আৰু মাগধীৰ ওপৰত ভিত্তি কৰি এটা সাৰ্বজনীন ভাষাৰূপ সৃষ্টি কৰি লোৱা হৈছিল। প্ৰাচ্য উপভাষাৰ প্ৰভাৱযুক্ত মধ্য দেশীয় এই ভাষিক ৰূপটোতে বুদ্ধৰ বাণীবোৰ গ্ৰথিত হৈছিল। সময়ত এই ভাষাই 'পালি' নাম পায়।

সুকুমাৰ সেনেও অনুৰূপ ধাৰণাকে ব্যক্ত কৰিছে। তেওঁৰ মতে, মধ্যদেশীয় উপভাষাৰ আধাৰত অশোক-পৰৱৰ্তী সময়ত সমগ্ৰ আৰ্যাৱৰ্ততে এটা সাৰ্বজনীন ভাষাৰ (Lingua-franca) প্ৰচলন হৈছিল। এই সাৰ্বজনীন ভাষাতে পূৰ্বী উপভাষাৰ কৃত্ৰিম সংশ্লেষণেৰে (Artificial Synthesis) পালি ভাষা গঢ়ি তোলা হৈছিল।

সাহিত্যিক ভাষা হিচাপে পালিৰ বিকাশৰ সময় খ্ৰীষ্টপূৰ্ব ২০০ৰ পৰা খ্ৰীষ্টিয় ২০০ শতিকা। অশোকৰ পিছৰে পৰা বহু ব্ৰাহ্মণেও বৌদ্ধধৰ্ম গ্ৰহণ কৰিছিল। পালি ভাষা সাহিত্যিক ভাষাৰূপে প্ৰতিষ্ঠা হোৱাৰ পিছতে পালিত সংস্কৃতৰ প্ৰভাৱ পৰাত এই কথাই বিশেষভাৱে সহায় কৰিছিল। পাছলৈ সংস্কৃত ভাষাই পালিৰ আদৰ্শ হৈ পৰিল আৰু খ্ৰীষ্টিয় পঞ্চম শতিকামানৰ পৰা এটা কৃত্ৰিম সাহিত্যিক ভাষা ৰূপে ই ভাৰত, শ্ৰীলংকা, ব্ৰহ্মদেশ আদিত বৰ্তি থাকিল।

ওপৰৰ আলোচনাৰ পৰা আপুনি নিশ্চয় বুজিব পাৰিলে যে, পালি ভাষা মূলতঃ মধ্য দেশৰ প্ৰাকৃতৰ ওপৰত ভিত্তি কৰি সকলো ধৰণৰ প্ৰাকৃতৰ উপাদান গ্ৰহণ কৰি গঢ় লৈ উঠিছিল। সেয়ে হ'লেও, বিশেষজ্ঞ পণ্ডিতসকলে লক্ষ্য কৰিছে যে, দক্ষিণ-পশ্চিমা আৰু প্ৰাচ্য-মধ্যাৰ উপাদানেই ইয়াত বেছি।

পালি ভাষাক সমন্বয়ী ভাষা বা Compromising Speech বোলা হয়।

ব্যৱহাৰ হোৱালৈ লক্ষ্য কৰি কোনো কোনোৱে এই ভাষাক 'বৌদ্ধ প্ৰাকৃত' বুলিছে। সম্ভৱতঃ বৌদ্ধশাস্ত্ৰৰ বাহক আৰু ভিক্ষুসকলৰ যোগাযোগৰ উমৈহতীয়া ভাষা হিচাপে পূৰ্বী আৰু পশ্চিমা প্ৰাকৃতৰ ভিত্তিত এই ভাষাৰ বিকাশ হৈছিল। এই ভাষা আছিল কিছু পৰিমাণে কৃত্ৰিম আৰু পৰিমাৰ্জিত। ইয়াৰ প্ৰতিষ্ঠাত বিশেষ ভূমিকা লৈছিল হীনযানী পন্থাৰ থেৰবাদীসকলে। বুদ্ধৰ পৰিনিৰ্বাণৰ পাছত তেওঁৰ শিষ্যসকলে ক্ৰমে 277 আৰু 377 খ্ৰীঃ পূঃত বহা দুখন মহামেলত মৌখিকভাৱে চলি অহা বুদ্ধ-বচনবোৰ একত্ৰ ৰূপত সংকলন কৰে। এই শাস্ত্ৰই পাছলৈ 'ত্ৰিপিটক' নাম পায়। সময়ত ত্ৰিপিটকৰ ভাষা পালি ভাষাৰূপে প্ৰতিষ্ঠিত হয়।ত্ৰিপিটকৰ 'বিনয় পিটক'ৰ এক আখ্যান মতে বুদ্ধই তেওঁৰ মুখৰ বচন 'সকায় নিৰুত্তিয়া' অৰ্থাৎ স্থানীয় ভাষাত সংকলন কৰিবলৈ দিছিল। বুদ্ধঘোষৰ মতে 'সকায় নিৰুত্তিয়া' হ'ল মাগধী ভাষা। গেইগাৰৰ (Geiger) মতে— "Pali should be regarded as a form of Magadhi, the language in which Buddha himself had preached". এই মন্তব্যৰ পৰাও বুজা যায় যে, পালি আচলতে বৌদ্ধসকলৰ সাহিত্যিক ভাষাহে। ই কোনো নিৰ্দিষ্ট ভৌগোলিক অঞ্চলৰ কথিত ভাষা নাছিল। এই ভাষাৰ সৃষ্টিৰ লগত তৎকালীন ৰাজনৈতিক আৰু সাংস্কৃতিক ঘটনা-পৰিস্থিতিৰ সম্পৰ্ক আছে।

বুদ্ধৰ জন্মৰ সময়ত মগধ এখন শক্তিশালী ৰাজ্য আছিল। আৰ্য সংস্কৃতি আৰু আৰ্য ভাষা গ্ৰহণ কৰি ই এখন আৰ্যৰাষ্ট্ৰ হৈ পৰিছিল। কিন্তু আৰ্য সংস্কৃতিৰ মূলভূমি মধ্য ভাৰতৰ আৰ্যসকলে মগধ অঞ্চল অৰ্থাৎ প্ৰাচ্য অঞ্চলটোক তেওঁলোকৰ পৰা পৃথক বুলি গণ্য কৰিছিল। কাৰণ মগধ বা প্ৰাচ্য অঞ্চল আছিল ঘাইকৈ আৰ্যভিন্ন লোকৰ বসতি স্থল। এইসকল বাসিন্দা পাছতহে আৰ্যীকৰণৰ মাজেদি আৰ্য হৈছিল। বুদ্ধই এই অঞ্চলৰ ভাষাৰেই নিজৰ মত প্ৰচাৰ কৰিছিল। পাছলৈ পূৰ্ব আৰু পশ্চিমৰ ভাষাৰ সনন্বয়ত বৌদ্ধ সাহিত্যৰ বাহক হিচাপে পালি ভাষাৰ উদ্ভৱ হৈছিল।

E. Khun, Otto Franke, Westerguard আদিয়ে পালিক উজ্জয়িনী অঞ্চলৰ ভিত্তিত গঢ় লোৱা ভাষা বুলিছে। Sten Konow-ৰ মতে, পালিৰ ভিত্তি বিন্ধ্য অঞ্চলৰ কথিত ভাষা। জৰ্জ গ্ৰিয়ৰ্ছনৰ মতে, পালি তক্ষশীলা তথা উত্তৰ-পশ্চিম ভাৰতত বিকশিত এটা সাহিত্যিক ভাষা। আকৌ ওড়িশাৰ ৰাজধানী ভুৱনেশ্বৰৰ ওচৰৰ উদয়গিৰি পাহাৰৰ হাতিগুম্ফাত খোদিত কলিংগৰাজ খাৰৱেলাৰ প্ৰত্নলেখৰ (খ্ৰীষ্ট পূৰ্ব প্ৰথম শতিকা) ভাষাৰ লগত পালি ভাষাৰ বিশেষ মিললৈ লক্ষ্য কৰি জাৰ্মান পণ্ডিত ওল্ডেনবাৰ্গ (Oldenberg) আৰু মূলাৰে (Muller) সিদ্ধান্ত কৰিছে যে, ওড়িশাৰ তৎকালীন আঞ্চলিক ভাষাৰ ওপৰত ভিত্তি কৰিয়েই পালি ভাষা গঢ় লৈ উঠিছিল। তেওঁলোকৰ ধাৰণা অনুসাৰে এই ভাষাৰ বাহক আছিল ঘাইকৈ বণিজাৰুসকল। ভিণ্ডিছ্ৰ মতে, পালি হ'ল অৰ্ধ মাগধীৰ প্ৰকাৰভেদ আৰু এই ভাষাৰ

অধ্যায় ৮ ঃ পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য

অধ্যায় গাঁথনি

৪.1 উদ্দেশ্য

৪.2 পৰিচয়

৪.3 পালি ভাষাৰ উৎপত্তি আৰু বৈশিষ্ট্য

৪৩.1 পালি ভাষাৰ উদ্ভৱ সম্পৰ্কে বিভিন্ন মত

৪৩.2 পালি ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ

৪.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.5 অধিক জানিবলৈ

৪.6 অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

৪.7 আর্হি প্রশ্ন।

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পালিৰ উদ্ভৱস্থল সম্পর্কে থকা বিভিন্ন মতসমূহ জানিব পাৰিব
- ভাৰতীয় ইতিহাসৰ কোনছোৱা সময়ত পালি ভাষাই সাহিত্যিক ভাষাৰূপে বিকাশ লাভ কৰিছিল তাৰ লেখ ল'ব পাৰিব
- পালি ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰিব পাৰিব।

৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি মধ্য ভাৰতীয় আর্য ভাষাৰ সাধাৰণ পৰিচয় লাভ কৰিলে। আপোনাৰ পাঠ্যসূচী অনুসাৰে এই অধ্যায়টো মূল পাঠ্য বিষয়ৰ অষ্টম অধ্যায, য'ত মধ্য ভাৰতীয় আর্য ভাষাৰ আদি স্তৰৰ অন্তর্গত পালি ভাষাৰ উদ্ভৱ, প্রকৃতি আৰু বৈশিষ্ট্যৰ লগত জড়িত বিভিন্ন দিশ আলোচিত হৈছে। আহকচোন, আলোচ্য ভাষাটোৰ উদ্ভৱ, বিকাশ আৰু তাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহৰ লগত পৰিচিত হওঁ।

৮.৩ পালি ভাষাৰ উৎপত্তি আৰু বৈশিষ্ট্য

৮.৩.১ পালি ভাষাৰ উদ্ভৱ সম্পৰ্কে বিভিন্ন মত

পালি ভাষাৰ উদ্ভৱ স্থল ঃ

পালি হ'ল মূলতঃ বৌদ্ধশাস্ত্রৰ ভাষা। খ্রীষ্ট পূর্ব ষষ্ঠ শতিকাৰ পৰা বৌদ্ধ সাহিত্যত